

# জওহর-জ্যোতি

# জৱাহৰ-জ্যোতি

## প্ৰথম খণ্ড

প্ৰথম সংখ্যাৰ পৰা দ্বাদশ সংখ্যালৈ

সঙ্কলক

**ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া**

সহযোগী অধ্যাপক, অসমীয়া বিভাগ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# জৱাহৰ-জ্যোতি

## বকো জৱাহৰলাল নেহৰু কলেজৰ
## আলোচনী

॥ বছৰেকীয়া প্ৰকাশ ॥
॥ প্ৰথম সংখ্যা ॥
॥ ইং ১৯৭০-৭১ ॥

॥ সম্পাদক ॥
জ্ঞানশঙ্কৰ খাখলাৰী

॥ সম্পাদনা সমিতি ॥

অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ, সভাপতি
অধ্যাপক শৰৎ চন্দ্র তালুকদাৰ
অধ্যাপক বসন্ত কুমাৰ দত্ত
অধ্যাপক কামিনী মোহন শৰ্মা
অধ্যাপক মদন চন্দ্র কাকতি
শ্ৰীজ্ঞানশঙ্কৰ খাখলাৰী, সম্পাদক
শ্ৰীঅমূল্য ৰায়, সহঃ সম্পাদক

॥ বেটুপাত ॥

শ্ৰীঅজিত কুমাৰ ৰাভা
প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী

॥ মুদ্ৰণত ॥

লক্ষ্মী প্ৰিন্টিং প্ৰেছ,
গুৱাহাটী—১


কল্যাণীয় শ্ৰীমান খাখলাৰী,

নতুন বছৰৰ ভোগালী বিহুৰ আন্তৰিক আশীৰ্ব্বাদ তোমালোক সকলোটিলৈকে জনালো। তোমাৰ চিঠি পাই "জৱাহৰ জ্যোতি"লৈ শুভেচ্ছা জনালো।

—আশীৰ্ব্বাদ—

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত "জৱাহৰ জ্যোতি" পত্ৰিকাখনিৰ উত্তৰোত্তৰ উন্নতিৰ আশাৰে সৰ্ব্বান্তঃকৰণে আন্তৰিক শুভ ইচ্ছা জনালো। "জৱাহৰ জ্যোতি" চিন্তাশীল সাহিত্য সম্পদেৰে অলঙ্কৃত হৈ সাহিত্যৰ গৌৰৱ বৃদ্ধি কৰক। জৱাহৰ জ্যোতিৰ প্ৰকাশৰ উদ্যোগীসকললৈ আন্তৰিক শলাগৰে আশীৰ্ব্বাদ জনালো —ইতি

নলিনী বালা দেৱী



## MESSAGE

I am very happy to learn that the Teachers and the Students of the Jawaharlal Nehru College, Boko are going to bring out a College Magazine shortly. I convey my best wishes to the sponsors and earnestly believe that it wili prove very useful not only to the staff and the students of the College but also to other reading public as well.

The students and the Members of this College may rightly be proud of this institution which, besides being a prominent higher educational centre, is associated with the great name and hallowed memory of our late respected Prime Minister Pandit Jawaharlal Nehru. As a matter of fact, a decission was unanimously made to start a College at Boko to be named after the great leader in the condolence meeting at Boko on the very next day of the sad demis fof our beloved Prime Minister on May 27, 1964.

It is indeed heartening that the College has since then been providing facilities and scopes for higher Education, to the tribal and other backward youth of the area and maintaining continuous progress in respect of higher education as well as cordial student-teacher relationship.


In a developing country like ours education plays a significant rcle in registering repid progress in all the spheres of national life. I do hope the students of the College will, beisdes developing their mental and intellactual faculties, cultivate a strong and constructive urge to utilise their knowledge for the good of the Country.

I believe and trust, the College would grow from strength to strength and move with the passage of time and develop itseif into a seat of learning.

My best of wishes will always remain with the Jawaharlal Nehru College at Boko.

I wish your College Magazine all success.

**Probin Choudhury**
Transport Minister,
Assam.



Dear Students of Boko J. N. College,

I am glad to learn that you are going to publish a magazine this your. This venture of yours is really laudable. It will the more be laudable if you, through it, try to usher in something new and novel in the line, with the able guidance of your learned teachers. Should you only keep to the beaten track, it will, not to nince matters, be a sheer waste of time, mone, and energy.

I do believe this mouthpiece of yours will not only provide you with an ample scope and opportunity for self-expression but will also help you to divine rightly the depths of your learing and observation of things in their right perspective. I am sure it will greatly help dissermination of light and learning in this so-far neglected corner of the State, where people are still steeped in the deep darkness of ignorance.

I with your attempt a brilliant success.

A. K. Adhikary.
Secretary,
J. N, College,
Boko

*OUR FOUNDER PRINCIPAL*



**SHRI J. C. NATH**

PRIME MINISTER'S SECRETARIAT
NEW DELHI—4

January 7, 1971



**MESSAGE**

Dear Sir,

The Prime Minister thanks you for your letter. She sends her good wishes to the students of J. N. College, Boko.

Yours faithfully,
**H. Y. Sharada Prasad**

Shri Jnana Sankar Khakhalary,
Editor, 'Jawahar Jyoti',
J. N. College,
P. O. Boko
Assam.

RAJ BHAVAN
SHILLONG

February 26, 1971



I am glad to to know that the students of the Jawaharlal Nehru College, Boko is bringing out the first issue of their College Megazine 'Jawahar Jyoti' in April 1971.

I hope the Magazine will be a useful medium of expression of the ideas of the students and will keep them interested in their cultural and educational activities.

I send my best wishes for the success of Magazine.

**B. K. Nehru**
GOVERNOR OF ASSAM

# জৱাহৰ জ্যোতি

ভাৰত মাতৃৰ অমৰ সন্তানসকলৰ ভিতৰত স্বৰ্গীয় জৱাহৰলাল নেহৰুৰ দৰে এজন মহামানৱ পৃথিবীৰ বুৰঞ্জীতে পাবলৈ নাই। জৱাহৰলাল নেহৰু নিজেই যেন ভাৰতীয় সংস্কৃতিৰ, ভাৰতীয় মণীষাৰ এজন জীৱন্ত প্ৰতীক আছিল। নেহৰুৰ অনুপম গুণৰাশি ভাৰতবাসী তথা পৃথিবীৰ মানৱ সভ্যতাৰ কাৰণে চিৰস্মৰণীয় সম্পদ হৈ ৰ'ল---নেহৰুৰ ব্যক্তিত্বই প্ৰত্যেকজন ভাৰতবাসীক উদ্বুদ্ধ কৰাৰ কাৰণে চিন্তাশীল সকলক তেওঁ দি গ'ল ৰাজনীতি, সাহিত্য, স্বদেশপ্ৰেম, ত্যাগ আৰু কৰ্ম্মৰ প্ৰেৰণা।

অমৃতৰ পুত্ৰ জৱহৰলালৰ জীৱন-স্মৃতিৰ জ্যোতিয়ে বকোৰ জৱাহৰলাল মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰসকলক অখণ্ড জ্যোতিৰ পোহৰ দিয়ক। ত্যাগ আৰু কৰ্ম্মৰ প্ৰেৰণাৰে নতুন ভাৰত ৰচনাত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ প্ৰতিভাৰে অৰিহণা দিয়ক-এয়ে মোৰ কামনা।

'বকুলবন'
যোৰহাট
১০।১।৭১

শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা

# সোঁৱৰিছো

মানুহ জন্মিলে মৰিবই। ই চিৰন্তন সত্য জন্মিলেও একো নতুনত্ব নাই; মৃত্যু হলেও একো নতুনত্ব নাই। ই প্ৰকৃতিৰ ৰীতি। মহাপুৰুষেই হওঁক বা সাধু পুৰুষেই হওক, সৰু মানুহেই হওঁক বা ডাঙৰ মানুহেই হওঁক মৃত্যু আছেই—ই চিৰন্তন। তথাপি ই বৰ বেদনা দায়ক। কিন্তু এনে প্ৰচলিত ৰীতিটো কিয় বাৰু মৃত্যু কথা শুনিলে দুখ লাগে, ব্যথা লাগে, শোকেৰে অন্তৰ ভৰি পৰে, কিয় বাৰু ভয় লাগে, কান্দি উঠে অন্তৰ? এয়া দুৰ্ব্বলতা, এয়া আন্তৰিকতা। হয়তো মানুহৰ এই পাৰস্পাৰিক আন্ত-ৰিকতাই মানুহক জীয়াই থাকিবলৈ প্ৰেৰণা দিছে, দিছে আশা আকাঙ্খা আৰু এধানি মৰমৰ সহাৰি। সেয়ে মৃত্যুৰ পিচত সোঁৱৰাই দিয়ে মৃতকৰ স্মৃতিবোৰে--তেওঁৰ মহৎ কাৰ্য্যই। আৰু বোধ হয় সেই তাৰণাতেই কোনো ব্যক্তিৰ মৃত্যুৰ খবৰ শুনিলে দুগালেৰে দুটোপাল তপত লোতক বাগৰে, অন্তৰ দুখেৰে ভৰি পৰে। শেষত ভক্তিৰ পুষ্পাঞ্জলিৰে মৃতকক শ্ৰদ্ধাঞ্জলি দিয়াৰ বাহিৰে কি আছে?

দুৰ্ব্বাসা-গাঠি-চিৰাজ-গমধৰ-হাৰান-মণিৰামৰ স্মৃতি আছে; কিন্তু ভাৰবীয়া নাই। গাৱেঁ-ভূঞে নগৰে-চহৰে অভিনয় কৰি ভাগৰি নপৰা একনিষ্ঠ কলা সেৱক আৰু আমাৰ অগ্ৰজ প্ৰতিম নটসূৰ্য্য ফণী শৰ্ম্মা ১৯৭০ চনৰ ৩১ জুলাইত চিৰদিনৰ বাবে মঞ্চ জগতৰ পৰা প্ৰস্থান কৰিলে। জ্যোতি সূৰ্য্যৰ কিৰণ আৰু ৰাভাৰ আভাৰে অসমৰ কলা জগত উজলি উঠিল আৰু নুমাই গ'ল। তেওঁলোক একনিষ্ঠ কলাসেৱক, আমাৰ অগ্ৰজ প্ৰতিম। এয়া তেওঁলোকলৈ শ্ৰদ্ধাৰ সোঁৱৰণী। ভাৰতীয় বিজ্ঞানৰ নৱজাগৰণৰ নায়ক যাৰ জন্ম ১৮৮৮ চনৰ ৭ নবেম্বৰ--তামিল নাডুৰ তিৰু চিৰা পুল্লীত; সেই নায়কৰ জীৱনা-বসান হ'ল ১৯৭০ চনৰ ২১ নবেম্বৰত; যাৰ নাম বিজ্ঞান জগতত অমৰ—তেওঁ ডাঃ চন্দ্ৰ শেখৰ ভেঙ্কট ৰমণ। তেওঁক ভাৰতবাসীয়ে হেৰুৱালে, বিশ্বই হেৰুৱালে; কিন্তু তেওঁৰ দান বৰঙণি আৰু অভূতপূৰ্ব্ব বিজ্ঞানৰ কাৰ্য্য অতুলনীয় হৈ বিশ্বক সোঁৱৰাই থাকিব।

১৯১২ চনত এটি সম্ভ্ৰান্ত পৰিয়ালত শিৱসাগৰ জিলাত জন্ম গ্ৰহণ কৰা অসমৰ ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী, প্ৰবীণ ৰাজনীতিজ্ঞ, সমাজ সংগঠক সৰ্ব্বজন প্ৰিয় বৰণ্য নেতা, অসমী

আইৰ সুযোগ্য সন্তান স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা দেৱৰ ১৯৭১ চনৰ ২৪ ফেব্ৰুৱাৰী বৃহস্পতি বাৰ দিনা চিলঙৰ নিজ বাস ভৱনত হোৱা মৃত্যুৰ বাতৰিয়ে অসমীৰ আকাশ বিষাদৰ ভাৱৰে ঢাকি ধৰিলে। তেওঁ আমাক নিৰ্ভীকতা, ঐকান্তিকতা আৰু বিশ্বপ্ৰেমৰ পথ দেখুৱালে আৰু......আৰু বহুতো সোঁৱাবালে।

আৰু সোঁৱৰিছো সেই সকল মান্য শিল্পী, সাহিত্যিক, বৈজ্ঞানিক, ৰাজনীতিজ্ঞ আৰু দাৰ্শনিকক যি সকলে সংগ্ৰাম কৰি আদৰ্শ ৰাখি গ'ল মানৱৰ শান্তি আৰু প্ৰগতিৰ পথত। .........এই মহান মানৱ সকললৈ আমাৰ প্ৰণাম আৰু ভক্তিৰ শ্ৰদ্ধাঞ্জলি যাচিলোঁ......।

# অসমীয়া বিভাগ





| | | |
|---|---|---|
| পথ | ॥ ১॥ | অধ্যাপক বসন্ত কুমাৰ দত্ত |
| তুলা | ॥ ১॥ | শ্ৰীঅনিল কুমাৰ নাথ |
| স্বপ্ন ভাঙিল মোৰ | ॥ ২॥ | শ্ৰীজ্যোতিৰ্ম্ময়ী কলিতা |
| নিশাৰ সপোন | ॥ ২॥ | শ্ৰীসাৰদা পাটোৱাৰী |
| স্বাগতম | ॥ ৩॥ | শ্ৰীসৰ্ব্বেশ্বৰী বড়ো |
| জৱাহৰ জ্যোতি | ॥ ৪॥ | শ্ৰীঅমূল্য ৰায় |
| সন্ধি | ॥ ৪॥ | শ্ৰীউৰ্বশী দাস |
| দুটি গীত | ॥ ৫॥ | শ্ৰীনগেন কলিতা |
| মাজবাটত | ॥ ৬॥ | অনুবাদঃ শ্ৰীআনন্দ চন্দ্ৰ বাভা |
| তুমি আৰু মই | ॥ ৭॥ | অনুবাদ ঃ শ্ৰীনবমোহন নাথ |
| মায়নো বুটী | ॥ ৯॥ | শ্ৰীযোগেন্দ্ৰ নাথ বড়ো |
| খাদ্য সমস্যা আৰু প্ৰতিকাৰ | ॥১৫॥ | শ্ৰীনিলীমা ৰায়ন |
| বড়ো কছাৰী সমাজ আৰু সংস্কৃতিত এটি দৃষ্টিপাত | ॥১৭॥ | শ্ৰীজ্ঞান শঙ্কৰ খাখলাৰী |
| আজিৰ সমাজ আৰু শিক্ষা এটি দৃষ্টিপাত | ॥২০॥ | শ্ৰীদীনেশ চন্দ্ৰ শৰ্ম্মা |
| ভাৰতৰত্ন জৱাহৰলাল নেহৰু | ॥২৫॥ | মনচুৰ ৰহমান খাঁন |
| গোৱালপৰীয়া গীত মাত | ॥৩১॥ | শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা |
| কবি আৰু কাব্যৰ স্বৰূপ | ॥৩৫॥ | কুমাৰী অন্নে দাস |
| প্ৰতিশ্ৰুতি | ॥৩৭॥ | শ্ৰীনিৰঞ্জন ৰায়ন |
| মৰহা স্মৃতি | ॥৪০॥ | কুমাৰী নিৰুপমা বাভা |
| পুষ্প আৰু প্ৰস্তৰ | ॥৪৩॥ | শ্ৰীবলেন্দ্ৰ বাভা |
| কক্ষচ্যুত | ॥৪৭॥ | কুমাৰী পৰমেশ্বৰী বড়ো |
| গোপন চিঠি | ॥৫০॥ | শ্ৰীঅমূল্য ৰায় |
| নিৰুপায় | ॥৫৪॥ | শ্ৰীনবীন বড়ো |
| চাকৰ | ॥৫৬॥ | শ্ৰীঅমৃত চন্দ্ৰ কলিতা |
| সম্পাদকীয় | ॥৬৩॥ | |

## পথ

অধ্যাপক—বসন্ত কুমাৰ দত্ত।

গভীৰ দুপৰ নিশা
সমগ্র পৃথিৱী শুই পৰিছে
মাথো সাৰে আছে সময়
সাৰে আছে নৈশ বিলাসৰত
বণিকৰ দল—মহানগৰীত ।
আৰু সাৰে আছে দৰিদ্র জনতা
পেটত দুনিবাৰ ক্ষুধাৰ জুই একুৰা জ্বলাই লৈ
কোনো দিন পোহৰ নপৰা উৰুখাপজাঁত ।
হয়তো পুৱঁতি নিশা অৱসন্ন এইজাক মানুহে
তন্দ্রামগ্ন হৈ সপোন দেখিব
আকাংখা চিহ্নিত এটি উজ্বল পথৰ ;
এই পথেৰে আহি গ'ল মাৰ্ক্স আৰু
গান্ধীৰ—দল, মানুহৰ স্বীকৃতি বিচাৰি ।
এই পথ সঁচা পথ
এই পথ দৰিদ্রৰ ঐৰাৱৎ ।

## তুলা

শ্রীঅনিল কুমাৰ নাথ, বি-এ,
প্রাক্তন ছাত্র

কোমল কম্পিত এখনি যেন শুভ্র আকাশ
তাৰ পৰা সিচৰিত মেঘ মেঘ লগা অজৈৱ পদাৰ্থ
বিভিন্ন গতি কৰে
ব্রাহ্মণ্ডৰ কেন্দ্র সন্ধানি
বায়ু নৈৰ বক্র সোঁতেৰে
পৰমেশ্বৰৰ অস্তিত্ব বিচাৰি ।
মৰণশীল আত্মাৰ দুৰ্ব্বলতা—ভয় আৰু ভীতৰ
ফাগুনৰ দিন আৰু চ'তৰ ৰাত্রিৰ
বৃহৎ আত্মা আৰু ক্ষুদ্রাত্মাৰ
ৰবাৰ টেঙা সদৃশ পৃথিৱী আৰু বাটি সদৃশ আকাশৰ
মাজত থকা বায়ু নৈৰ সোঁতত পৰি
টো খেলি খেলি ফুৰে
মেঘ মেঘ লগা কোমল কম্পিত এই অজৈৱ পদাৰ্থ।

## ॥ স্বপ্ন ভাঙিল মোৰ ॥

শ্ৰীজ্যোতিৰ্ময়ী কলিতা
প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী (কলা)

বহাগৰ এটি নিশা
এটি জোনাক জোনাক লগা নিশা
দেখিছিলোঁ স্বপ্ন জীয়াই থকাৰ ।
বৰ্ষাৰ মুখৰ এটি আবেলি
আনন্দত প্ৰাণ খুলি
হাঁহিব খুজিছিলোঁ মই
অতীতৰ কথা পাহৰি ।
সেইদিনা মই জনাটো নাছিলোঁ
এই সপোন ভাঙিব বুলি
বৰ্ষা মুখৰ বহু আবেলি
কান্দিব লাগিব বুলি ।
আজি জীৱনৰ ঘন কুৱলীত
বিপন্ন মোৰ স্বপ্ন ।
কিয় ভাঙিল এই মোহময়ী স্বপ্ন

## ॥ নিশাৰ সপোন ॥

শ্ৰীসাৰদা পাটোৱাৰী
প্ৰথম বাৰ্ষিক বি.এ.

মই দেখিলোঁ—
আকাশত তৰাৰ চকুৰে
নিশাৰ এখনি স্তব্ধ মৌন মুখ ।
আৰু এই মুখ—এজন, দুজন, হেজাৰ জনৰ,
ঐশ্বৰ্য্য বাসনাত লালায়িত
কলা কলা বজাৰত জীয়াই থকা
ৰক্ত পিপাসু অলেখ জনৰ ।
এই মুখ,—
পূৰ্ণ যুৱতীৰ নগ্নদেহত
উশৃংখল কামনাৰ প্ৰলেপ সনা
বৃহৎ ড্ৰেগনৰ ।
এই মুখ, সংগ্ৰামৰ পটভূমিত
সপোন বচা মেহনতী শ্ৰমিকৰ ।
আকৌ এয়া দেখিলোঁ
বিস্তীৰ্ণ আকাশৰ পৰা
নামি অহা বিম জিম বৃষ্টিত
নিষ্পেষিত জনতাৰ
করুণ তপত চকুলো ।

# স্বাগতম্



শ্ৰীসৰ্ব্বেশ্বৰী বড়ো
প্ৰাক্ বিশ্ববিদ্যালয় (কলা)

শীতৰ শেষত
আহিল বসন্ত,
নতুনক লবলৈ
প্ৰকৃতি ব্যাকুল ;
গছলতা হ'ল
ৰমক-জমক
মেলি কুঁহিপাত
ফুলি নানা ফুল ।
আহিল বসন্ত
আহিলে কেতেকী
গালে ক'ত গীত
ধৰাৰ মাজত ;
সমীৰে বোৱালে
ফুলৰ সৌৰভ
দিলে বিয়পাই
সবাৰে প্ৰাণত ।

বসন্ত কালৰ
বহাগ মাহত
আছে অসমীৰ
ৰঙালী বিহুটি ;
অতীতক এৰি
নিজকে পাহৰি
ৰঙালী বিহুটি
নেথাকে নেপাতি ।
ধৰাৰ মুখত
বিৰিঙা হাঁহিত
মানুহে হাঁহিলে
আশাক পাঙিলে ;
পুৰণি সকলো
বহাগে নাশিলে
চিৰ সুন্দৰক
স্বাগত জনালে ।